শ্ৰী[redacted] দেৱৰ

গুণমালা।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱ ৰচিত।

প্ৰকাশক

গ্ৰেজুৱেট ষ্টোৰ্চ, যোৰহাট, আসাম।

প্ৰকাশকৰ দ্বাৰা
সৰ্ব্ব স্বত্ব সংৰক্ষিত।

মূল্য ৷৹ বাৰ অনা।

নি[redacted]

মহাপুৰুষৰ লিখিত এই [redacted] মানুহে যিমানে পঢ়ে সিমানে পঢ়িবৰ ইচ্ছা হয়, যিমানে শুনে সিমানে শুনিবৰ ইচ্ছা হয় ; যেনেকৈ অমৃত খাই থাকিলে খাই থাকিবৰ হে মন হয় ; আচলতে ই অমৃতৰো অমৃত ; ভকতৰ পৰম বিত। মহাৰাজ নৰ নাৰায়ণে তেওঁৰ সভাপণ্ডিত সকলক কলে, কোনে একে দিনাই "দ্বাদশ স্কন্ধ ভাগৱত"ৰ চমুকৈ পদ কৰি দিব পাৰা। কিন্তু এই কাম দেৱৰো অসাধ্য জানি পণ্ডিত সকলৰ কোনোৱে আগ নাবাঢ়িলে। কি আচৰিত, শ্ৰীশঙ্কৰদেৱে তেখেতৰ মায়া-লেখনীৰে এই অসম্ভৱকো সম্ভৱ কৰিলে। ৰাতিপুৱা ৰাজসভাত যেতিয়া তেখেতৰ হাতত এই পুথি দেখিবলৈ পালে আৰু ইয়াৰ মনোহৰ কবিতাৱলীৰ সুমধুৰ গান শুনিবলৈ পালে ; ৰজা পাৰিষদ সকলোৱে তেতিয়া আনন্দত মতলীয়া হৈ উঠিল।

সেই দুৰ্লভ গ্ৰন্থৰ অভাৱ দেখি আমি প্ৰকাশকক ছপাবলৈ অনুৰোধ কৰিলোঁ। ইয়াত মই নিজে কৰা বুলিবৰ কিছুমান টান শব্দৰ অৰ্থ আৰু বানান শুদ্ধ কৰি দিয়াত বাহিৰে একো নাই ; ইয়াতে যদি কিবা ভুল ভ্ৰান্তি হয়, যেন ভৃত্য বুলি মানি সদাশয় ৰাইজে আৰু সেই কৃপাময় পুৰুষে ক্ষমাদান কৰিব। ইতি --

বিনীত

শ্ৰীনগেন্দ্ৰনাথ চৌধুৰী।

শ্ৰীশ্ৰীকৃষ্ণায় নমঃ

শ্ৰীশ্ৰীকৃষ্ণদেৱৰ গুণমালা।

ঘোষা॥ ৰাম নিৰঞ্জন, পাতক ভঞ্জন।

নমো নাৰায়ণ, সংসাৰ কাৰণ,
ভকত তাৰণ, তোমাৰ চৰণ॥
তুমি নিৰঞ্জন, পাতক ভঞ্জন,
দানব গঞ্জন, গোপিকা ৰঞ্জন॥
বেদান্ত গায়ক, বংশী বায়ক,
জগত নায়ক, মুকুতি দায়ক॥
ভকতৰ ঋদ্ধি, কৰা সৰ্ব সিদ্ধি,
বিধাতাৰ বিধি, দীন দয়া নিধি॥
ভকতি ৰোচন, দুখ সঙ্কোচন,
পাতক মোচন, কমল লোচন॥
দৈত্য অন্তকাৰী, গোবৰ্দ্ধনধাৰী,
ভব-ভয়-হাৰী, তুমিসি মুৰাৰি॥
কালীক দমিলা, পূতনা শুষিলা,
দেৱক তুষিলা, ব্ৰজক ভূষিলা॥

ভকতৰ ঋদ্ধি=ভকতৰ সম্পত্তি; ভকতি ৰোচন=ভকতিৰ প্ৰিয় ভগবান।

GOVERN...
Call No..............

কেশী বৎসৰক, সমস্ত দৈত্যক,
লগাইলা চমক, ডকাইলা যমক ॥
তুমি বাৰম্বাৰ, হুয়া অৱতাৰ,
পৃথিবীৰ ভাৰ, খণ্ডিলা অপাৰ ॥
ইন্দ্ৰক দমিলা, ব্ৰহ্মায়ো নমিলা,
বনত ভ্ৰমিলা, গোপীক ক্ৰীড়িলা ॥
পশি ৰঙ্গ শাল, যত মহামাল,
কৰিলা আস্ফাল, বধিলা গোপাল ॥
তযু গুণ-নাম, ধৰ্ম অনুপাম,
মোক্ষ অৰ্থকাম, সাধা প্ৰভু ৰাম ॥
মাৰি দশগ্ৰীৱ, জনকৰ জীৱ,
পাইলা সদাশিৱ, তুমি জগজীৱ ॥
তোমাৰ চৰিত্ৰ, পাতকীৰ মিত্ৰ,
পৰম পবিত্ৰ, কৰিলা বিচিত্ৰ ॥
পতিত পাবন, এতব ভাবন,
অসুৰ দাবন, তুমিসি বামন ॥
অগতিৰ গতি, ত্ৰিজগত পতি,
তোমাত ভকতি, থাকোক সম্প্ৰ ॥
শ্যামল শৰীৰ, জলদ-ৰুচিৰ,
গহীন গম্ভীৰ, গুণৰ মন্দিৰ ॥
কুণ্ডলে মণ্ডিত, অসুৰ দণ্ডিত,

জলদ ৰুচিৰ=মেঘৰদৰে শ্যামবৰণীয়া।

পাতক খণ্ডিত, তুমিসি পণ্ডিত ॥
দাৰিদ্ৰ মৰ্দ্দন, করুণা সদন,
বংশী-বদন মূৰ্ত্তি মদন ॥
হাস্য দৰিশন, পাপ কৰিচন।
দোষ মৰিষণ, কাম বৰিষণ ॥
জগত আধাৰ দৈৱকী কুমাৰ,
সংসাৰত সাৰ, চৰণ তোমাৰ ॥
তুমি ভগৱন্ত, মহিমা অনন্ত,
তাৰিলাহা সন্ত, পুরুষ মহন্ত ॥
তুমি সবৎসল, পুরুষ নিছল।
নাহি কিছু ছল, ভকত বৎসল ॥
তুমি অৱতৰি, অসুৰ সংহৰি।
সৃষ্টি আছা ধৰি, দেৱ শ্ৰীহৰি ॥
অঘাসুৰ ঘালী মহা বলশালী।
দমিলাহা কালী, তুমি বনমালী ॥
কৰি পৰাভৱ খেদাইলা দানৱ।
ভকত বান্ধৱ তুমি সি মাধৱ ॥
কৰি অবিছেদ, দৈত্য কৰি ভেদ,
খণ্ডি লাহা খেদ, উদ্ধাৰিলা বেদ ॥
জগতক বশ্য, কৰিলা অৱশ্য,
ভৈলা মহা মৎস্য, ব্ৰহ্মাৰ নমস্য ॥

ঘালী = বধকাৰী।

তুমি মহাহংস, আসি নিজ অংশ,
হুয়া যদু বংশ, বধিলাহা কংস ॥
জগত নিঃশেষ, সবাত প্ৰবেশ,
ভৈলা হৃষীকেশ, না জানি উদ্দেশ ॥
তুমি পীতাম্বৰ, কৰি আড়ম্বৰ,
বধিলা সম্বৰ, প্ৰভু বিশ্বম্ভৰ ॥
তুমি সি অচ্যুত, আনন্দে আপ্লুত,
ভকত বহুত, কৰিলা মুকুত ॥
ধৰি মৎস্যকায়, সত্যব্ৰত ৰায়,
প্ৰলয় অপায় তাৰিলা লীলায় ॥
কুৰ্ম্ম কলেৱৰ, ধৰিলা মন্দৰ,
মথিলা সাগৰ, ন ভৈলা ভাগৰ ॥
বৰাহ শৰীৰে, উদ্ধাৰি ভূমিৰে,
হিৰণ্যাক্ষ বীৰে মাৰি লাহা চিৰে ॥
নৰসিংহ ৰূপু ভৈলা দিব্য বপু,
বধি লাহা ৰিপু, হিৰণ্য কশিপু ॥
ভৈলা অদিতিত, বামন উদিত।
মূৰুতি ললিত বলিক ছলিত ॥
যামদগ্নি ৰাম, কাটি চামে চাম
ক্ষত্ৰিয়ৰ নাম নথৈলা সংগ্ৰাম ॥
ভৈলা কৌশল্যাত শ্ৰীৰাম জাত,

ৰূপু=ৰূপেৰে। ৰিপু=শত্ৰু।

ৰাৱণ বিঘাত কৰিলা লঙ্কাত ॥
ৰাম হলধৰ, ৰোহিণী কুমৰ,
মাৰিলা ইতৰ দ্বিবিদ বানৰ ॥
বুদ্ধ ৰূপে ছন্ন কৰি বেদগণ।
মুহিলাহা মন ত্যজিয়া সজ্জন ॥
হুইয়া কল্কি চণ্ড যতেক পাষণ্ড,
কৰি খণ্ড খণ্ড বিহিবাহা দণ্ড ॥
ধৰি বাৰম্বাৰ দশ অৱতাৰ
পৃথিবীৰ ভাৰ খণ্ডিলা অপাৰ ॥
কৃষ্ণৰ কিঙ্কৰে ৰচিলা শঙ্কৰে
হৰি হৰি নৰে বোলা নিৰন্তৰে ॥

ঘোষা ॥ হৰি হৰি ৰাম হৰি হৰি ৰাম ॥

নমো লক্ষ্মীপতি অগতিৰ গতি,
চৰণে সম্প্ৰতি কৰিলোঁ প্ৰণতি।
গুণ চিন্তামণি সংসাৰ তৰণী,
পাপৰ অগনি ঘুষিয়োক ছনি ॥
ইতো বিতোপন ধৰ্ম সনাতন,
আকাশে কীৰ্ত্তন, কৰে সাধু জন ॥
শুনিয়ো দশম অতি নিৰূপম,
কৃষ্ণৰ পৰম জনম কৰম ॥
দৈত্যে ভিড়িলা ভাৰে পীড়িলা

চণ্ড=প্ৰচণ্ড প্ৰতাপী।

দুঃখ সাক্ষী দিলা পৃথিবী কান্দিলা ॥
ব্ৰহ্মায়ে প্ৰাৰ্থন্তে আসি ভগৱন্তে
জন্মিলা জ্বলন্তে দৈৱকীত হন্তে ॥
অদ্ভুত বালক কুটিল অলক
ৰত্নৰ তিলক শোভে কপোলক ॥
হসিত বয়ন কমল নয়ন
ৰুচিৰ দশন পীত বসন ॥
কিৰীটি কুণ্ডল কৰে ঝল মল
কৌস্তুভে উজ্জ্বল শোভে কম্বুগল ॥
হস্ত চাৰি খন অতি বিভোপন,
কেয়ূৰ কঙ্কণ প্ৰকাশে ভূষণ ॥
বহল হৃদয় বনমালা তয়
পড়ি গুঞ্জৰয় ভ্ৰমৰে ৰঞ্জয় ॥
ৰতনে ৰচিত মেখলা কটীত
পাট ভুনি পীত লোটয় মাটিত ॥
উৰু কৰীকৰ জঙ্ঘা মনোহৰ
কনক ৰত্নৰ ৰঞ্জিত তোড়ৰ ॥
চৰণ পল্লব পদ্ম অভিনৱ
নূপুৰৰ ৰব শুনন্তে উৎসৱ ॥

কম্বু = শঙ্খ।

কটী = কোমৰ; পল্লব = কুমলীয়া পাত; শ্ৰীকৃষ্ণৰ চৰণ দুখানি কুমলীয়া পাতৰ দৰে ৰঙচুৱা।

আঙ্গুলিৰ পান্তি নখ চন্দ্ৰ কান্তি,
দেখি খণ্ডে ভ্ৰান্তি তাপ উপশান্তি ॥
ৰঙ্গা পদতলে অঙ্কুশ কমলে
চিহ্ন সকলে অতিশয় জ্বলে ॥
জগতৰ তাত আছন্ত তথাত,
চাৰি অস্ত্ৰ হাত প্ৰকাশে সাক্ষাত ॥
দেখি দুয়ো প্ৰাণী এন্তে চক্ৰপাণি
মনে অনুমানি বোলে স্তুতি বাণী ॥
কৃষ্ণে কথা কৈলা শিশুৰূপ ভৈলা।
নিহল চোড়াইলা কোলে তুলি লৈলা।
বসুদেৱ সন্ত লৈয়া লড়ি লন্ত।
ফণায়ে অনন্ত ছত্ৰ ধৰিলন্ত ॥
নমনীয় কূল যমুনা বিপুল
চড়াই তাৰ কূল পাইলন্ত গোকুল ॥
কৃষ্ণক থৈলন্ত কন্যাক লৈলন্ত
বসুদেৱ সন্ত দুনাই আসিলন্ত ॥
নন্দেও দেখিল পুত্ৰ উপজিল
উৎসৱ মিলিল মহা দান দিল ॥
নন্দ যশোদাৰ গৃহত অপাৰ
কৰিলা বিহাৰ জগত আধাৰ ॥
অনেক যন্ত্ৰণা কৰিলা মন্ত্ৰণা
আসিল পূতনা শুষিলা চেতনা ॥

পৰম সঙ্কট দধি দুগ্ধ ঘট
সহিতে শকট কৰিলা উলট ॥
দৈত্য চক্ৰবাত ভৈল কন্ধ পাত
কৃষ্ণৰ লীলাত পৰিয়া শিলাত ॥
জগতৰ স্বামী প্ৰভু অন্তৰ্য্যামী
মাতৃ কোল গামী তুলিলন্ত হাসি ॥
জগত নিখিল গৰ্ভত দেখিল
বিস্ময় মিলিল যশোদা ডৰিল ॥
আসি গৰ্গ ঋষি গোপনত বসি
জাত কৰ্ম ৰাশি কৰিলা সবিধি ॥
বিধিমতে নাম থৈলা কৃষ্ণ ৰাম
কহি গুণগ্ৰাম গৈলা নিজ ধাম ॥
পাচে ব্ৰজ পুৰে ৰঙ্গে ভ্ৰমি ফুৰে
সোনাৰ নূপুৰে ৰুণু ঝুণু কৰে ॥
অগনি সৰ্পক যান্ত ধৰিবাক
দেখি দেন্ত হাক নুশুনন্ত তাক ॥
গোপিকাৰ ঘৰে পশি দামোদৰে
অপকাৰ কৰে দেখি নিৰন্তৰে ॥
গোপীগণ আসি যশোদাত হাসি
কৃষ্ণ চেষ্টা ৰাশি কহন্ত প্ৰকাশি ॥
দেখিলে গোৱালী শিশুবনমালী

জগত নিখিল=এই সমস্ত জগত।

নানা চতুৰালি কৰন্ত ধূৰ্ত্তালি ।
কি কহিব আয় কৃষ্ণৰ অপায়
ন দোহন্তে গায় বৎসক পিয়ায় ॥
ঘৰে পশি যায় দধি দুগ্ধ খায়
বানৰে খুৱায় ভাঙ্গিয়া পেলায় ॥
কি ভৈল দুৰ্জ্জন তোমাৰ নন্দন
কৃষ্ণৰ কাৰণ নৰ হে জীৱন ॥
শুনি হেন বাণী লাজে চক্ৰপাণি
নেত্ৰে বহে পানী দেখি নন্দৰাণী ॥
স্নেহ সম্পাজিল সাবটি ধৰিল
আশ্বাস কৰিল মুখে স্তন দিল ॥
সঙ্গে শিশুগণ খেলে নাৰায়ণ ।
মৃত্তিকা ভক্ষণ কৰিল তেখন ॥
দেখি শিশু জাক বোলে যশোদাক
শুনি বাণী তাক খঙ্গে বোলে বাক ॥
কেনে মাটি খাইলি অৰে বনমালী
নখাইলোহো বুলি দেখায় মুখ মেলি ॥
সকল জগত দেখন্ত গৰ্ভত
হৰিক মনত স্মৰন্ত ভয়ত ॥
বোলন্ত বিস্ময় মোহোৰ তনয় ।
মনুষ্য নো হয় ঈশ্বৰ নিশ্চয় ॥

ন দোহন্তে = নিক্ষীৰাওঁতে ।

দিনেক প্ৰভাতে বাণী নিজ হাতে
দধিক তথাতে মথন্ত সাক্ষাতে ॥
আসি দেৱহৰি মথনিক ধৰি
ৰৈলা ৰঙ্গ কৰি দেখিল সুন্দৰী ॥
আনিয়া নন্দন বদন চুম্বন
কৰি ঘনে ঘন পিয়াইলন্ত স্তন ॥
দুগ্ধ উথলিয়া পড়য় দেখিয়া
পুত্ৰক এৰিয়া গৈলা লৰৰিয়া ॥
কেশৱে কুপিলা ধৰি পটাশিলা
ভাণ্ডক ভঙ্গিলা যশোদা দেখিলা ॥
বাড়ি লৈলা কৰে দেখি দামোদৰে
নামি উড়লৰে লৰ দিলা ডৰে ॥
যশোদা দেখন্ত ভয়ে ভগৱন্ত
কান্দন্ত কাম্পন্ত বাড়ি এৰি লন্ত ॥
কৰে ধৰি আনি উড়ু খলে টানি
বান্ধি চক্ৰপাণি চলি গৈলা ৰাণী ॥
উড়ল বৈয়াই বৃক্ষত লগাই
উভাড়ি পেলাই ৰঙ্গে আছা চাই ॥
দুই দেৱবৰ দিব্যৰূপ ধৰ
কৰিয়া কাতৰ চলি গৈলা ঘৰ ॥
কি ভৈল বুলি নন্দে বান্ধ মেলি
মলছিয়া ধূলি কোলে লৈলা তুলি ॥

গোপৰ সুন্দৰী বজাৰে চাপৰি
অঙ্গী ভঙ্গী কৰি নাচে দেৱহৰি ॥
পসাৰি ডাকিল কোনে লৈবা ফল
শুনিয়া চলিল কৃষ্ণ দয়াশীল ॥
ধান্যক দিলন্ত ফলক লৈলন্ত ।
ৰত্ন অপৰ্য্যান্ত ভাণ্ড ভৰিলন্ত ॥
গোকুল ভবন তেজি নাৰায়ণ ।
পাচে বৃন্দাবন কৰিলা গমন ॥
বৎস অসুৰ পৰম দন্দুৰ
কৰি মসীমূৰ নিলা যমপুৰ ॥
আসি বক গোটে গিলিলেক ছোটে
তাক ধৰি ঠোঁটে চিড়িলা আস্ফোটে
সৰ্পৰূপে আসি আঘে তুলি হাসি
বদন প্ৰকাশি গিলিল গৰাসি ॥
ভেটিলন্ত গল ভকত বৎসল ।
এড়ি মূত্ৰ মল মৰিল নিস্খল ॥
তাৰ কৰি কাল বৎস বৎসপাল
জীয়ায় ততকাল বজাইলা গোপাল ।
সঙ্গে শিশুগণ ৰঙ্গে নাৰায়ণ
অন্ন ব্যঞ্জন কৰিলা ভোজন ॥
গোৰক্ষ দামুৰি ব্ৰহ্মা কৰি চুৰি

বদন প্ৰকাশি=মুখ মেলি ; নিস্খল= পাপীষ্ঠ ।

থৈয়া ঢাকি ঘুৰি গৈলা নিজ পুৰী ॥
বৎস বৎসপাল হুয়া সেহি কাল
আপুনি গোপাল গৈলা ব্ৰজ শাল ॥
অনেক বিভূতি কৃষ্ণৰ মূৰুতি
দেখিয়া বিস্মৃতি ব্ৰহ্মা ভৈল ভীতি ॥
যেন মৃতবত পড়িল হংসত
নাহি আৰ তত্ত্ব চেতন গাৱত ।
ব্ৰহ্মা মহন্ত দেখি ভগৱন্ত
কপট চাকিলন্ত স্তুতি জানন্ত ॥
হংস যান এড়ি চৰণত পাৰি
নানা স্তুতি কৰি গৃহে গৈলা লৰি ॥
ধেনুকাক মাৰি গাছত আছাৰি
তাল ফল পাৰি ভুঞ্জাইলা মুৰাৰি
তৃষ্ণায়ে আকুল হুয়া গোপকুল
যমুনাৰ কূল গৈলা হুয়া ভুল ।
খাইল বিষজল ভৈলন্ত বিহ্বল
জীৱনে বিকল মৰিল সকল ॥
দেখি নাৰায়ণ অমৃত নয়ন
চাহিলা তেখন লাভিলা চেতন ॥
কদম্বে চড়িলা হ্ৰদত পড়িলা
কালীয়ে ঝড়িলা শিৰত চড়িলা ॥

মৃতবত = মৰাৰ নিচিনা ।

ফণাৰ উপৰে দেৱ দামোদৰে
উঠি নৃত্য কৰে সিটো সর্পমৰে ॥
নাগ পত্নীচয় বুলিলা বিনয়
কালীক নির্ভয় দিলা কৃপাময় ॥
তীৰত চড়িলা জ্ঞাতিয়ে বেড়িলা
গলত বান্ধিলা যশোদা কান্দিলা ॥
নিকালি কালীক পীলা বনাগ্নিক
গোপ গোপীক ৰঞ্জিলা অধিক ॥
প্রলম্ব অশিষ্ট চিন্তিলা অনিষ্ঠ
মাৰিলা গৰিষ্ঠ ৰাম বলিষ্ঠ ॥
বেঢ়ি মুঞ্জবন লাগে হুতাশন
দেখি গোপগণ ভৈল ভয়মন ॥
পাচে নাৰায়ণে সদয় নয়নে
তাৰি ৰঙ্গমনে আনিলা তেখনে ॥
বসন্ত গ্রীষ্মত বর্ষা শৰতত
ক্রীড়া নানামত কৰিলা ব্রজত ॥
এক চিত্ত কৰি গোপৰ কুমাৰী
সাধে ব্ৰত ধৰি স্বামী হৈবা হৰি ॥
বস্ত্র থৈয়া তীৰে কেৱল শৰীৰে
যমুনাৰ নীৰে স্নানি ধীৰে ধীৰে ॥
কৃষ্ণে কৰি লীলা বস্ত্রক হৰিলা
কদম্বে চড়িলা হাসি বস্ত্র দিলা ॥

কৰ্ম্মক উচ্ছাদ বিপ্ৰক বিষাদ
পত্নীক প্ৰসাদ দিলাহা আহ্লাদ ॥
বদতি শঙ্কৰ শুনা সবে নৰ
আন পৰিহৰ ভজা দামোদৰ ॥
দিন কতিপয় জীৱন নিশ্চয়
যাইবা যমালয় নাহিকে সংশয় ॥
বিনা লক্ষ্মীপতি নাহি আন গতি
জানিয়া সম্প্ৰতি কৰিয়ো ভকতি ॥
তেবেসে নিস্তৰি পুৰুষ উদ্ধৰি
হৃদি কপৰ্বৰি মুখে বোলা হৰি ॥
মাধৱৰ নাম ধৰ্ম্ম অনুপাম
এৰি আনকাম বোলা ৰাম ৰাম ॥

ঘোষা ! কহ হাৰ ৰাম নকৰ বিৰাম ॥

লৈয়া গোপসঙ্গ কৰি মখভঙ্গ
বাসৱৰ খঙ্গ তোলাই ভৈলা ৰঙ্গ ।
ইন্দ্ৰে ক্ৰুদ্ধিল মেঘ পাঠি দিল ।
শিলা বৰষিল প্ৰলয় মিলিল ॥
ইন্দ্ৰৰ দৰ্পক নাশি মন্দৰক
তুলি উপৰক ৰাখিলা ব্ৰজক ॥

উচ্ছাদ=বিনাশ ; আহ্লাদ=আনন্দ ; কতিপয় দিবস= কেই দিনমান মাথোন । মখ=যজ্ঞ ।

গৰ্ব পৰ্বতৰ নামি পুৰন্দৰ
কৰিয়া কাতৰ চলি গৈলা ঘৰ ॥
বৰুণ কিঙ্কৰে নন্দক সত্বৰে
জলৰ ভিতৰে নিল আড়ম্বৰে ॥
কৰে কোলাহল গোৱাল সকল
ভকত বৎসল পশিলন্ত জল ॥
ভয় সম্পজিল বৰুণে যজিল
পিতৃক তুলিল আশ্চৰ্য্য মিলিল ॥
উদ্ধাৰি নন্দক ব্ৰজৰ লোকক
দেখাই বৈকুণ্ঠক দিলা আনন্দক ॥
শৰত শীতল শশাঙ্কে ধবল
বৃন্দাবন স্থল দেখি কৌতূহল ॥
অতি সুললিত ৰঙ্গে গাইলা গীত
গোপিকা সহিত কৰিলন্ত নৃত্য ॥
লৈয়া গোপী মেলী কৰি ঠেলা ঠেলি ।
কণ্ঠে বাহু মেলি কৰিলন্ত কেলি ॥
যেহেন মাতঙ্গে হস্তিনীৰ সঙ্গে ।
অতি অঙ্গে ভঙ্গে ফুৰে লীলা ৰঙ্গে ॥
কৃষ্ণৰ মূৰুতি অতি আসকতি
গোপৰ যুবতী ভ্ৰম ভৈল মতি ॥
সৰ্পক মিলিল নন্দক গিলিল ।

শশাঙ্ক=চন্দ্ৰ ; মাতঙ্গ=মতা হাতী ।

পায়ে পৰশিল সিয়ো নিস্তৰিল ॥
শঙ্খচূৰ মাৰি গোপৰ সুন্দৰী
আনিলা উদ্ধাৰি ঈশ্বৰ মুৰাৰি ॥
এহিমতে নিশি ক্ৰীড়ি আসৰিষি
গৃহক হৰিষি আইল মুৰদ্বেষী ॥
দিবসে গোধন লৈয়া নাৰায়ণ
যান্ত বৃন্দাবন দেখি গোপীগণ ॥
কৃষ্ণৰ বিৰহে শৰীৰ ন সহে
শোকে হৃদি দহে আখি নীৰ বহে ॥
বসি ঠাৱে ঠাৱে কৃষ্ণগুণ গাৱে ।
অতি প্ৰেমভাৱে দিবস গোৱাৱে ॥
অৰিষ্ট অসুৰ আইল গোপপুৰ
তাক কৰি চুৰ নিলা যমপুৰ ॥
আসিল নাৰদ ভাবে গদগদ
দেখি সভাসদ ভৈল নিঃশবদ ॥
কংসৰ সমাজ বোলে মুনিৰাজ
নিশ্চিন্তে কি কাজ কৰ ভোজৰাজ ॥
তব ৰিপুবৰ ৰাম দামোদৰ
বাঢ়ে নন্দঘৰ কি কৈবো বিস্তৰ ॥
কৃষ্ণ জন্মে যেবে বসুদেৱ তেবে
থৈল গুপ্তভাৱে জানো মই সবে ॥

আখি নীৰ বহে—চকুৰ পানী বৈ যায় ।

নন্দৰ কন্যাক দিলন্ত তোমাক
নজানিলা তাক ঘটিল বিপাক ॥
শুনি কংসৰায় কোপে কাম্পে কায় ।
বসুদেৱ চায় কাটিবাক ধায় ॥
দেখি তপোধন কৰিল বাৰণ
প্ৰবোধি তেখন কৰিল গমন ॥
কংস দুষ্টশীল কেশীক আনিল
আদেশ কৰিল ব্ৰজক চলিল ॥
কেশী দানব কৰে পৰাভৱ
শুনি গলাৰব ধাইলন্ত মাধৱ ॥
গোকুলত পশি কৰে ধসমসি
কৃষ্ণক পৰশি সিয়োগৈলা নশি ॥
নাৰদেও আসি কৃষ্ণক উপাসি
বচন প্ৰকাশি গৈলন্ত সম্ভাষি ॥
ময়ৰ তনয় ব্যোম দুৰাশয়
কৰিয়া দুৰ্ণয় গৈল যমালয় ॥
কংসে পাঞ্চিল অক্ৰুৰে বাঞ্চিল
ভকতি সাঞ্চিল চেতন নাছিল ॥
কৃষ্ণ খোজ চয় দেখি মহাশয়
ভৈলন্ত বিস্ময় নসহে হৃদয় ॥
ৰোম শিহৰি ঝাঁপ দিয়া পড়ি
কৃষ্ণ কৃষ্ণ ৰড়ি ফুৰন্ত বাগৰি ॥

২

অনন্তৰে গৈয়া কৃষ্ণক দেখিয়া
প্ৰেম উপজিয়া দ্ৰৱ ভৈল হিয়া ॥
পাৰত পড়িল লোতক ঝৰিল ।
ভকতি কৰিল মাধৱে ধৰিল ॥
কৰিলা সাদৰ দেৱ দামোদৰ ।
বিচেষ্টা কংসৰ জানি নিৰন্তৰ ॥
কৰিলা প্ৰয়াণ পুৰুষ পুৰাণ
অনেক নিশান বজাইলা বিষাণ ॥
দেখি গোপীচয় ন সহে হৃদয়
ক্ৰন্দন কৰয় লোতক ঝৰয় ॥
দূতক পঠাই গোপীক বুজাই
পাচে যদুৰায় যান্ত মথুৰায় ॥
চলে ৰথখান বায়ুৰ সমান
কৰিবে মধ্যাহ্ন ৰাখিলন্ত যান ॥
ৰথ তৰু তলে থৈয়া মহাবলে
অক্ৰুৰ সচলে বুৰ দিলা জলে ॥
অনন্ত শয্যাত কৃষ্ণক সাক্ষাৎ
দেখি প্ৰণিপাত কৰি যোৰ হাত ॥
নানা স্তুতি ৰড়ি পাচে ৰথে চড়ি
মথুৰাক লড়ি গৈল দৰ দড়ি ॥
অক্ৰুৰক হৰি পঠাই আগ কৰি

বিষাণ=শিঙা। ৰড়ি=উচ্চাৰণ কৰি।

চাহিবে নগৰী চলি গৈলা হৰি ॥
গজ গতি লীলা মথুৰা ভ্ৰমিলা
প্ৰজায়ে দেখিলা আনন্দ মিলিলা ॥
বঢ়াই অতি ৰতি গোপৰ সঙ্গতি
কৰি লীলা গতি যান্ত লক্ষ্মীপতি ॥
যতেক সুন্দৰী অঞ্জলিক ভৰি
পুষ্প বৃষ্টি কৰি চাহে নেত্ৰ ভৰি ॥
দেখন্তে মূৰুতি আনন্দ স্ফুৰুতি
হোৱয় বিশ্ৰুতি যতেক যুবতী ॥
যুড়ায় মন প্ৰাণ কৰে বহুমান
নেত্ৰে কৰে পান ন ভাষয় আন ॥
ৰজকৰ কাল কৰি তৎকাল
বস্ত্ৰ ভাল ভাল লৈলন্ত গোপাল ॥
বেশকাৰ জন পিন্ধাইলা বসন
সাৰূপ্য তেখন দিলা নাৰায়ণ ॥
মালা অনুপাম দিলেক সুদাম
বৰ মন কাম দিলা কৃষ্ণৰাম ॥
পিন্ধাইলা সুন্দৰী চন্দন সাদৰি'
তাইক ঋজু কৰি থৈলা দেৱহৰি ॥
পশি যাগ শাল ধৰিয়া ততকাল
ধনুক তুফাল কৰিলা গোপাল ॥

নেত্ৰ=**চকু**, **ৰজক**=ধোবা; **ঋজু**=পোন, চিধা।

পাচে নাৰায়ণ সঙ্গে গোপগণ
কৰিয়া ভোজন কৰিলা শয়ন ॥
প্ৰভাত ৰজনী দুন্দুভিৰ ধ্বনি
ৰাম কৃষ্ণ শুনি লড়িলা আপুনি ॥
দ্বাৰৰ ওচৰ পাইলা যদুবৰ
দেখিয়া কুঞ্জৰ ভেটিলা সত্বৰ ॥
কৃষ্ণে তাক পাড়ি দন্তক উভাৰি
মাৰিলন্ত বাড়ি প্ৰাণে গৈল ছাড়ি ॥
স্কন্ধে হস্তি-দন্ত সভা পশিলন্ত ।
শোভে লক্ষ্মীকান্ত ৰঙ্গে লোকে চান্ত ॥
চন্দ্ৰৰ মণ্ডল বদন বিমল
তাতে ঘৰ্ম্ম জল ৰঞ্জে গণ্ডস্থল ॥
ৰূপৰ সম্পত্তি দেখি লক্ষ্মীপতি
চান্ত চতুৰ্ভিতি নাহিকে তৃপিতি
আইল যুজোঁ বুলি চানূৰে হাম্ফুলি
আ ছাড়িয়া তুলি মাৰিলা সমূলি ॥
মুষ্টিকে ধৰিল সমৰ কৰিল
ৰামে সংহৰিল লীলাতে মৰিল ॥
আনো যত মাল কৰিয়া আস্ফাল
ধৰিয়া তৎকাল বধিলা গোপাল ॥

কুঞ্জৰ = হাতী
গণ্ডস্থল = মুখ মণ্ডল ।

বজায়ে বাজন   ৰঙ্গে নাৰায়ণ
সঙ্গে শিশুগণ   কৰন্ত ভ্ৰমণ ॥
চৰণ চলাই   নূপুৰ বজাই
নাচে যদুৰায়   প্ৰজা আছে চাই ॥
কৃষ্ণৰ কিঙ্কৰ   ৰচিল শঙ্কৰ
শুনা সবে নৰ   কৰ্ম কেশৱৰ ॥
কত তপস্যাই   নৰ তনু পাই
ভকতি বিনাই   ব্যৰ্থে আয়ু যায় ॥
আৰে বুধ জন   এড়া আন মন
যাবত চেতন   ভজা নাৰায়ণ ॥
নকৰা বিমতি   কলিত সম্প্ৰতি
বিনা লক্ষ্মীপতি   নাহি আন গতি ॥
জানি হেন কৰা   কৃষ্ণক সুমৰা।
আপুনি নিস্তৰা   পুৰুষ উদ্ধাৰা ॥
মাধৱৰ নাম   ধৰ্ম অনুপাম।
এৰি আন কাম   বোলা ৰাম ৰাম।
ঘোষা ॥ ত্ৰাহি ত্ৰাহি ৰাম, কৰিলো প্ৰণাম ॥
কংসে পাৰে গালি   শুনি বনমালী
ডেৰে চাঙ্গ চালি   চড়িলা আটালি ॥
কেশত কংসৰে   ধৰি বাম কৰে
টানি আড়ম্বৰে   পেলাইলা ঈশ্বৰে ॥
পাচে দামোদৰে   তাহাৰ উপৰে

জগতৰ ভৰে পড়িলা সত্বৰে ॥
মৰি কংস ৰায় ধৰি দিব্য কায়।
বৈকুণ্ঠক পাই থাকিলা লীলায় ॥
পাচে যদুৰায় কংসক ঘষায়
ফুৰাইলা লীলায় লোকক দেখায় ॥
তাৰ অষ্ট ভাই ক্রোধে আসে ধাই
দেখি যদুৰায় মাৰিলা কোবাই ॥
পিতাৰ মাতাৰ নিগল লোহাৰ
ছোড়ি বাৰবাৰ কৈল নমস্কাৰ ॥
এন্তে চক্রপাণি মনে অনুমানি
ডৰে দুয়ো প্রাণী নোবোলন্ত বাণী ॥
মায়া আবৰিল কৃষ্ণক ধৰিল
ক্রন্দন কৰিল লোতক ঝৰিল ॥
কৃষ্ণত ভকতি কৰি মহাৰতি
উগ্রসেন তথি ভৈলন্ত নৃপতি ॥
পাচে নন্দ পাশ আসি শ্রীনিবাস
কহে প্রিয় ভাষ কৰিয়া আশ্বাস ॥
শুনা ব্রজপতি চলা শীঘ্র গতি
শোক মোক প্রতি তেজিয়ো সম্প্রতি
দিন কতমান থাকি ইতো স্থান
তব সন্নিধান কৰিবো প্রয়াণ ॥
শুনি গোপ কুল হিয়ে যেন শূল

কান্দিয়া আকুল আসিলা গোকুল ‼
গর্গ পুৰোহিত শাস্ত্ৰৰ বিহিত
যজ্ঞ উপবীত দিলা হৰষিত ॥
ৰঙ্গে ৰাম হৰি ব্ৰহ্মচৰ্য্য ধৰি
অবন্তী নগৰী গৈলা লীলা কৰি ॥
গুৰুক বিনয় কৰি কৃপাময়
পঢ়ি লন্ত তয় যত বিদ্যাচয় ॥
পাচে শাস্ত্ৰ জানি গুৰুবাক্য মানি
মৰা পুত্ৰ আনি দিলা চক্ৰপাণি ॥
গোপীৰ প্ৰেমক জানি উদ্ধৱক
পঠাই গোকুলক বুজাইলা নন্দক ‼
কৃষ্ণক স্মৰিল চেতন হৰিল
ক্ৰন্দন কৰিল লোতক ঝৰিল ॥
কৃষ্ণৰ বচন শুনি গোপীগণ
প্ৰেমত ক্ৰন্দন কৰে অনুক্ষণ ॥
উদ্ধৱে বুজাইল কিছু স্মৃতি পাইল
কৃষ্ণ গুণ গাইল দিবস গোৱাইল ॥
কৃষ্ণে কৰি লীলা বাক্য সাফলিলা
কুঁজীক ৰমিলা মথুৰা ভ্ৰমিলা ॥
অক্ৰুৰৰ ঘৰ গৈলা দামোদৰ
অক্ৰুৰে বিস্তৰ কৰিলা সাদৰ ॥
স্মৰি পাণ্ডৱক বাৰ্ত্তা জানিবাক

হস্তিনা-পুৰক পঠাই অক্রুৰক ॥
পাণ্ডবৰ যত বাৰ্ত্তাক তাৰত
আসি মাধৱত কৰিলা বেকত ॥
মগধ ৰাজাৰ সেনা বাৰে বাৰ ।
কৰিয়া প্ৰহাৰ চিন্তিলন্ত মাৰ ॥
দ্বাৰকা সকলে নির্ম্মাইলন্ত জলে
প্ৰজাক সকলে নিলা যোগবলে ॥
কাল যবনৰ আগে মনোহৰ
দেখাই কলেৱৰ যান্ত দামোদৰ ॥
যেন নৱঘন তনু বিতোপন
সুপীত বসন পঙ্কজ নয়ন ॥
ৰত্নৰ সোলান বাহু চাৰি খান ।
নাহিকে সমান সর্ব্বাঙ্গে সুঠান ॥
কিৰীটি কুণ্ডলে অলঙ্কাৰেজলে
হাৰ বক্ষঃস্থলে পদ্মমালা গলে ॥
আজানুলম্বিত মেখলা কটীত
পাট ভুনি পীত লোটয় মাটিত ॥
চৰণ পল্লৱ নূপুৰৰ ৰব
শুনন্তে উৎসৱ চলন্ত মাধৱ ॥
যবনে দেখিল পাচত খেদিল
লাগক নেদিল গহ্বৰে পশিল ॥
মুচুকুন্দ ৰায় শুতিয়া তথায়

আছে নিদ্রা যায় তাঙ্ক গৈয়া পায় ॥
মাৰিল চৰণে জাগিল তেখনে
চাহিল নয়নে মৰিল যবনে ॥
পাচে যদুপতি দেখিয়া নৃপতি
কৰিলন্ত নতি অনেক ভকতি ॥
কৈল উপদেশ মাধৱে নিঃশেষ ।
ৰাজা ছাড়ি দেশ এড়াইলন্ত ক্লেশ ॥
কৃষ্ণ পদে ৰতি কৰি মহামতি
পাইলন্ত নৃপতি ভগৱন্ত গতি ॥
ৰেৱন্ত নৃপতি দুহিতা ৰেৱতী
বিহাইলন্ত তথি বলো মহামতি ॥
ভীষ্মক দুহিতা ৰূপে অনিন্দিতা
কৰে সুচৰিতা কৃষ্ণ পতি চিন্তা ॥
তান ভাই জ্যেষ্ঠ ৰুক্মি দুষ্ট শীল
মাধৱে বাধিল শিশুপালে দিল ॥
শোক উথলিল ক্রন্দন কৰিল
চিত্ত প্ৰবোধিল উপায় সৃজিল ॥
পত্ৰক গোপনে লিখিয়া আপুনে
পাঠাইলা ব্ৰাহ্মণে দ্বাৰকা ভুবনে ॥
সেহি বাক্য ধৰি পাচে দেৱ হৰি
বিদৰ্ভ নগৰী গৈলা শীঘ্ৰ কৰি ॥
দুষ্ট ৰাজাগণ জিনি নাৰায়ণ

ৰুক্মিণী হৰণ কৰিলা তেখন ॥
ৰুক্মি যুদ্ধ দিল মাধৱে জিনিল
চক্ৰক ধৰিল মুণ্ডন কৰিল ॥
পাচে দেৱ হৰি আসি নিজ পুৰী
ৰুক্মিণী সুন্দৰী বিহাইল সাদৰি ॥
আৰাধি সূৰ্য্যক পায় স্যমন্তক
সত্ৰাজিত তাক আনিলা গৃহক ॥
খোজে নাৰায়ণে নেদিল দুৰ্জনে
পিন্ধিয়া প্ৰসেনে চলি গৈলা বনে
সিংহে দেখিল তাহাক বধিল
স্যমন্তক নিল পৰ্বতে চড়িল ॥
দেখি জাম্বৱন্ত তাক মাৰিলন্ত
মণিক লৈলন্ত গৰ্ত্তক গৈলন্ত ॥
উঠি গৈলা তঙ্ক সত্ৰাজিত ৰঙ্ক
কৃষ্ণক কলঙ্ক দিলেক নিঃশঙ্ক ॥
জানি নাৰায়ণ লৈয়া সেনাগণ
মণিৰ কাৰণ প্ৰবেশিলা বন ॥
বুঝ সবে তত্ত্ব গৰ্ত্তৰ বাজত
থৈয়া সেনা যত পশিলা গৰ্ত্তত ॥
জিনি ঋক্ষপতি দেৱ যদুপতি
স্যমন্ত সহিতি পাইলা জাম্বৱতী

ঋক্ষপতি=ভালুক ৰাজা জাম্বৱন্ত।

দ্বাৰকাক আইল মণিক দেখাইল
কলঙ্ক এড়াইল আনন্দক পাইল ॥
সবাৰ সাক্ষাতে মণিক তথাতে
সত্ৰাজিত হাতে দিলা জগন্নাথে ॥
পাচে সত্ৰাজিত স্যমন্ত সহিত
কন্যাক সহিত দলন্ত হৰিত ॥
কালিন্দী সুন্দৰী সাধে তপ কৰি
জানি তাক হৰি আনিলা সাদৰি ॥
মিত্ৰ বৃন্দা সতী অতি ৰূপৱতী
পায়া যদুপতি আইলা দ্বাৰৱতী ॥
জিনি বৃষ সাত দেৱ যদুনাথ
সত্যাক তথাত বিহাইলা সাক্ষাত ॥
আত অনন্তৰে বিহাইলা সত্বৰে
ভদ্ৰাক সাদৰে দেৱ দামোদৰে ॥
বাণক প্ৰহাৰি লক্ষক বিদাৰি
লক্ষ্মণা কুমাৰী আনিলা মুৰাৰি ॥
ৰূপে আসৰিষী অষ্টম মহিষী
বিহাইলা হৰিষি বিক্ৰম দৰশি ॥
ৰুক্মিণী নন্দন লম্ভ মদন
ৰূপে বিতোপন যেন নৱঘন ॥
পাচে তাঙ্ক ঘৰে হৰিল সম্বৰে ।
মাৰিবাৰ তৰে পেলাইলা সাগৰে ॥

দানৱক মাৰি পায়া নিজ নাৰী
আইলা শীঘ্ৰ কৰি দ্বাৰকা নগৰী ॥
নৰকক মাৰি আনন্দে মুৰাৰি,
ষোড়শ হাজাৰি পাইলা দিব্যনাৰী ॥
শুনি প্ৰিয়বাণী জিনি বজ্ৰপাণি
পাৰিজাত আনি ৰুইলা চক্ৰপাণি ॥
সুধৰ্ম্মা সভাক পঠাই দ্বাৰকাক
বুলি স্তুতিবাক গৈল দেৱজাক ॥
দেৱৰ সম্পত্তি দ্বাৰকাক প্ৰতি
আনি যদুপতি কৰিলন্ত ৰাতি ॥
পৰিহাস কৰি বুলিলন্ত হাৰ
ৰুক্মিণী সুন্দৰী শুনি গৈলা ভৰি ॥
কৃষ্ণ পৰিহাস শুনিয়া নৈৰাশ
ভৈলন্ত হতাশ লোলাৰ উশ্বাস ॥
মৰ্ম্ম গৈল জ্বলি পড়িলন্ত ঢলি
কেশাৱ ভাকলি চাৰি বাহু মেল ॥
ধৰিলন্ত তুলি মলছিলা ধূল
প্ৰিয়বাক্য বুলি বান্ধিলন্ত চুল ॥
লভিয়া চেতন বুলিলা বচন
প্ৰেমে অনুক্ষণ ঝুৰয় নয়ন ॥
প্ৰিয়ায়ে সহিতে সকৰুণ চিত্তে
ক্ৰীড়িলা তহিতে বদন হসিতে

এৰৈক ভাৰ্য্যাত দশ দশ জাত
তনয় সাক্ষাত জগত প্ৰখ্যাত ॥
কৃষ্ণ পুত্ৰ নাতি ভৰিলেক আতি
ৰঙ্গে দিনে ৰাতি বঞ্চে যত জ্ঞাতি ।
প্ৰদ্যুম্ন তনয় ভৈলন্ত দুৰ্জ্জয়
অনিৰুদ্ধ তয় অতি শুভ নয় ॥
তান বিবাহত বলোৰ হাতত
আপুন ঘৰত ৰুক্মি ভৈলহত ॥
উষাক হৰিল বন্ধন কৰিল
মাধৱে শুনিল যুদ্ধক চলিল ॥
বাণৰ কাতৰে যুজিলন্ত হৰে
বিজৃম্ভন শৰে মোহিত শঙ্কৰে ॥
স্তুতি আৰম্ভিল মাধৱে দেখিল
যুদ্ধ উপেক্ষিল বাণক ৰাখিল ॥
দানৱ মুগুধ এড়িলন্ত যুদ্ধ
দিল দুয়া শুদ্ধ উষা অনিৰুদ্ধ ॥
কৃষ্ণে ৰঙ্গ পাইল দ্বাৰকাক আইল
বিবাহ কৰাইল বাজন বজাইল ॥
বামহাতে ধৰি নৃগক উদ্ধাৰি
দ্বাৰকা নগৰী ৰঙ্গে গৈলা হৰি ॥
বদতি শঙ্কৰ শুনা সবে নৰ ।
ইতো সাৰতৰ বেদৰ উত্তৰ ॥

বিজৃম্ভন শৰ = ভাগৰ লগাই অবসন্ন কৰা শৰ ।

হৰি বিনে আৰ নাহিকে নিস্তাৰ
অসাৰ সংসাৰ জানা সাৰে সাৰ।
পৰলোক ভয় এভো নুপুজয়
ঘোৰ যমালয় গমন নিশ্চয় ॥
কেন মতে তাত ঘোৰ উতপাত
যাতনাৰ হাত এৰাইবা সাক্ষাত ॥
পাতক হৰণ দুৰ্গতি তাৰণ
হৰিৰ চৰণ পশিয়ো শৰণ ॥
ঘোৰ কলিকাল অধৰ্ম বিশাল
এড়ি আলজাল ভজিয়ো গোপাল
কৃষ্ণ গুণনাম ধৰ্ম অনুপাম
এড়ি আন কাম বোলা ৰাম ৰাম ॥

—০—

ঘোষা। নমো কৃষ্ণ ৰাম তুমি পূৰ্ণকাম ॥
ৰামে কৰি লীলা ব্ৰজত ক্ৰীড়িলা
লাঙল টানিলা যমুনা আনিলা ॥
পৌণ্ড্ৰক ৰাজাৰ শুনি অহঙ্কাৰ
শিৰ ছেদি তাৰ চিন্তিলন্ত মাৰ ॥
কাশী নৃপতিৰ কাটি পাচে শিৰ
তাহাৰ মন্দিৰ পেলাই যদুবীৰ ॥
তাহাৰ তনয় সুদক্ষিণ তয়

এভো = এতিয়ালৈকে।

দেখিয়া হেনয় — ভৈলন্ত বিস্ময় ॥
শোকত কাতৰ — হুয়া বীৰবৰ
পূজিয়া শঙ্কৰ — পাইলা ইষ্টবৰ ॥
ভৈল কৃত্যানল — পৰম প্ৰবল
যদুসেনা বল — কৰিল বিকল ॥
শুনি নাৰায়ণ — চক্ৰ সুদৰ্শন
কৰিল প্ৰেৰণ — চলিল তেখন ॥
পাচে চক্ৰে আসি — কৃত্যানল নাশি
পুৰী বাৰাণসী — কৈলা ভস্মৰাশি ॥
দ্বিবিদ বানৰে — উপদ্ৰৱ কৰে
মাৰিলা সমৰে — দেৱ হলধৰে ॥
শুনি স্বয়ম্বৰ — শাম্ব বীৰবৰ
হস্তিনা নগৰ — চলিলা সত্বৰ ॥
লক্ষ্মণা সুন্দৰী — আনিলন্ত হৰি
দিব্যৰথে চড়ি — আইলা শীঘ্ৰকৰি ॥
কৌৰৱে কুপিল — খেদিয়া আসিল
সমৰ কৰিল — বান্ধিয়া ৰাখিল ॥
সাম্বৰ নিদান — ৰাম ভগৱান্
কৌৰৱৰ স্থান — কৰিলা প্ৰয়াণ ॥
কৌৰৱৰ ছল — দেখি মহাবল,
জ্বলে ক্ৰোধানল — ভেজাইলা লাঙ্গল ॥
উভতে নগৰ — ভয়ে তৰ তৰ

কৰয় কাতৰ দিলা কন্যাবৰ ॥
ষোড়শ হাজাৰ মন্দিৰে অপাৰ
কি ৰূপে বিহাৰ কৰে সৰ্বাধাৰ ॥
হেন বিমাৰিষি পাছে দেৱঋষি
দ্বাৰকাত পশি চাহিলা হৰিষি ॥
ঘৰে ঘৰে নব আশ্চৰ্য্য বৈভৱ
কৰন্ত মাধৱ দেখন্তে উৎসৱ ॥
গৃহৰ সম্পদ দেখিয়া নাৰদ
নয়ন তবধ ভৈল নিঃশবদ ॥
কৃষ্ণ পদে পড়ি নানা স্তুতি ৰড়ি
নিজ স্থানে লড়ি গৈল দৰদড়ি ॥
মগধ ৰাজন্ ভক্ত ৰাজাগণ
কৰিয়া বন্ধন ৰাখে অনুক্ষণ ॥
হুয়া দুঃখ যত আনি এক দূত
কৰিয়া গুপুত পাঠাই দিলা দ্রুত ॥
দূত গৈয়া পাইল কৃষ্ণক জনাইল
শুনি খেদ পাইল আশ্বাসি পঠাইল ॥
পাচে দেৱহৰি দিব্য ৰথে চড়ি
ইন্দ্ৰপ্ৰস্থ পুৰী গৈলা শীঘ্ৰ কৰি ॥
যুধিষ্ঠিৰ ৰায় মাধৱক পাই
অৱনত কায় অৰ্চ্চিলা সদায় ॥

দেবঋষি=নাৰদ।

মন্ত্রণা কৰিল   খাণ্ডৱ দহিল
বহ্নিক তুষিল   মগধে চলিল ॥
পার্থ বৃকোদৰ   সঙ্গে দামোদৰ
বিপ্ৰৰূপধৰ   পশিলা নগৰ
ৰাজাত কহিল   যুদ্ধক মাগিল
প্ৰতিজ্ঞা কৰিল   যুজিবে চলিল ॥
হৰিদ্বেষী ধন্ধ   ৰাজা জৰাসন্ধ
কৰিয়া প্ৰবন্ধ   নিপাতিলা কন্ধ ॥
পশিল শৰণ   যত ৰাজাগণ
চোড়াইলা বন্ধন   দেৱ নাৰায়ণ ॥
ৰূপে বিতোপন   দিলা দৰশন
দেখি ৰাজাগণ   হৰষিত মন ॥
আগত পড়িল   প্ৰেম উপজিল
লোতক ঝৰিল   প্ৰণাম কৰিল ॥
পাচে হৃষীকেশ   গুচাই সবে ক্লেশ
ভুঞ্জিয়া অশেষ   পঠাই দিলা দেশ ।
পাচে যুধিষ্ঠিৰ   ৰাজা মহাবীৰ
আদেশে হৰিৰ   চিত্ত কৰি স্থিৰ ॥
ৰাজসূয় নাম   যজ্ঞ অনুপাম ।
কৰি পূর্ণকাম   হৈল গুণধাম ॥
ৰাজা শিশুপাল   গৰ্জ্জিলা আস্ফাল
সেহি যজ্ঞপাল   বধিলা গোপাল ॥

ধন্ধ = ধূৰন্ধৰ ।

পাচে দুৰ্য্যোধন স্থলে জল হেন ।
দেখি ভ্ৰম মন তুলিল বসন ॥
জলক দেখিল তাক মিচিনিল ।
তাহাত পড়িল বসন তিতিল ॥
দেখি নাৰীগণ হাসে ঘনে ঘন
মলিন বদন ভৈল দুৰ্য্যোধন ॥
মৰণ সমান পায়া অপমান
ক্ৰোধে হতজ্ঞান গৈলা নিজস্থান ॥
কুৰু পাণ্ডুবল খেলাই পাশা ছল
লগাইলা কন্দল ভকত বৎসল ॥
মহা ভয়ঙ্কৰ মিলাইলা সমৰ
পৃথিবীৰ ভাৰ হৰিল ঈশ্বৰ ॥
শাল্ব নৰপতি যুদ্ধক সম্প্ৰতি
দ্বাৰকাক প্ৰতি আসিল দুৰ্মতি ॥
বেঢ়ি দ্বাৰকাক হানি অস্ত্ৰজাক
মিলাইলা বিপাক খেদি আইলা তাক ॥
হাতে চক্ৰধৰি দেৱ শ্ৰীহৰি
শাল্বক সংহৰি ৰৈলা ৰঙ্গ কৰি ॥
দন্তবক্ৰ ৰায় আইলা ক্ৰোধে ধাই
তাক যদুৰায় মাৰিলা লীলায় ॥
বিদূৰথ আইল কৃষ্ণে তাক ধাইল
চক্ৰক পঠাইল যমক ডকাইল ॥

বিপু নৃপ যত সমৰে শকত
সবাকো ৰণত কৰিলন্ত হত ॥
কুৰু পাণ্ডৱৰ লাগিবে সমৰ
জানি হলধৰ ছাড়িলা নগৰ ॥
নানা তীৰ্থগণ কৰিয়া ভ্ৰমণ
নৈমিষ কানন কৰিলা গমন ॥
দেখি মুনিগণ বন্দিলা চৰণ
যোগাইলা আসন বসিলা তেখন ॥
সূত মহাজন নকৈলা বন্দন
দেখি ক্ৰোধমন ৰোহিণী নন্দন ॥
কুশ প্ৰহাৰিলা সূতক মাৰিলা,
ঋষিয়ে দেখিলা ৰামক নিন্দিলা ॥
ৰামে চিন্তি হিত তাৰ প্ৰায়শ্চিত্ত
কৰিলা তহিত শাস্ত্ৰৰ বিহিত।
পৰম দন্দুৰ বল্বল অসুৰ
কৰি মৰ্ষীমূৰ নিলা যমপুৰ ॥
বলোৰ চৰিত অতি বিপৰীত
শুনিতে ত্বৰিত হৰয় দূৰিত ॥
বিপ্ৰ দামোদৰ বৈষ্ণৱত পৰ,
কৃষ্ণৰ বাসৰ গৈলা দ্বিজবৰ ॥
মাধৱে ধৰিল প্ৰণতি কৰিল
প্ৰেমত দ্ৰৱিল লোতক ঝৰিল ॥

অনেক সাদৰি ভৃঙ্গাৰক ধৰি
ধুৱাইলন্ত ভৰি অৰ্চিলন্ত হৰি ॥
করুণা সদন দৈৱকী নন্দন
কৰিয়া বন্দন পিন্ধাইলা চন্দন ॥
কহিয়া কাহিনী বুলি প্রিয়বাণী
চাউল চিড়া আনি ভুঞ্জি চক্রপাণি ॥
ইন্দ্রৰ বিভুতি দিলন্ত ভূমিতি
পাইলন্ত ভুকুতি পৰম মুকুতি ॥
দাৰিদ্র্য ভঞ্জন পাতক গঞ্জন
ভকত ৰঞ্জন দেৱ নিৰঞ্জন ॥
কুরুক্ষেত্র নাম তীর্থ অনুপাম
যাক ভৃগুৰাম কৈলা মোক্ষধাম ॥
সূৰ্য্যৰ গ্রহণে মহাৰঙ্গ মনে
যত যদুগণে গৈলা নাৰায়ণে ॥
গোপ-গোপীগণ লৈয়া পৰিজন
হৰষিত মন কৰিলা গমন ॥
বহু দিনান্তৰে দেখি দামোদৰে
আনন্দ অন্তৰে নেত্রে নীৰ ঝৰে ॥
গোপিকা সহিত আলাপি তহিত
ভকতিৰ ৰীত কহিলা পীৰিত ॥

ভৃঙ্গাৰ=লোটা ; (সোনৰ লোটাৰে বিপ্রৰ ভাৰিধুৱাইদিলে।)
নেত্র=চকু ।

কৌৰৱ পাণ্ডৱ　　যত ৰাজাসৱ
কৰিয়া উৎসৱ　　গৈলা সেহি ঠাৱ ॥
যত ঋষিগণ　　আইলা সেহিক্ষণ
দেখি নাৰায়ণ　　কৰিলা বন্দন ॥
পিতৃৰ বচনে　　যজ্ঞ ৰঙ্গ মনে
কৰাই বস্ত্ৰ ধনে　　তুষিলা ব্ৰাহ্মণে ॥
নন্দ যশোদাক　　বুলি প্ৰিয়বাক
গৈলা দ্বাৰকাক　　যত যদু জাক ॥
আত্মতত্ত্ব জ্ঞান　　শাস্ত্ৰৰ প্ৰমাণ
বাসুদেৱ স্থান　　কৈলা ভগবান ॥
প্ৰাৰ্থিলন্ত জানি　　দেবকী গোঁসানী
ছয় পুত্ৰ আনি　　দিলা চক্ৰপাণি ॥
সুভদ্ৰা ব ৰলা　　অৰ্জ্জুনে হৰিলা
বলোৱে কুপিলা　　লাঙ্গল ধৰিলা ॥
দেখি লক্ষ্মীপতি　　বুলিলা বিনতি
তুষ্ট ভৈলা মতি　　পাণ্ডৱক প্ৰতি ॥
জনকক ঘৰ　　গৈলা দামোদৰ
নৃপতি িস্তৰ　　কৰিলা সাদৰ ॥
শ্ৰুতদেৱ ৰায়　　মাধৱক পায়
চৰণ ধুৱায়　　অৰ্চিলা সদায় ॥
কৰিলন্ত স্তুতি　　তবু যদুপতি
[illegible]

জানো নিৰন্তৰ কৰ্মীৰ মনৰ
থাকন্তো অন্তৰ হোৱা দামোদৰ ॥
শ্ৰবণ কীৰ্ত্তন কৰে যিতোজন
তাতেসে প্ৰসন্ন হোৱা নাৰায়ণ ॥
ভকতি বিনয় শুনি কৃপাময়
মনৰ নিশ্চয় গুচাইলা সংশয় ॥
কহিলন্ত পথ পূৰি মনোৰথ
দ্বাৰকাৰ পথ চলাইলন্ত ৰথ ॥
কোন পথ সন্ত ৰাজা পুছিলন্ত
শুনিয়া মহন্ত শুকে কহিলন্ত ॥
শুনা নৃপবৰ বেদৰ উত্তৰ
ভকতিত পৰ নাহি সাৰতৰ ॥
শিৰৰ ৰতন মন্ত্ৰৰ বচন
শ্ৰৱণ কীৰ্ত্তন কৰা অনুক্ষণ ॥
ইসে পথ সন্ত কৈলা ভগৱন্ত
নপাই তাৰ অন্ত সংসাৰে মজন্ত ॥
দেৱ কৃপাময় আনি দিলা তয়
বিপ্ৰৰ তনয় ৰাখি ধনঞ্জয় ॥
বীৰ নিপুণ আনন্দে আপুন
যত হৰিগুণ বৰ্ণাইলা অৰ্জ্জুন ॥
জগত আধাৰ দৈৱকী কুমাৰ
সংসাৰ নিস্তাৰ হুয়া অৱতাৰ ॥

লীলা বিহাৰ কৰিলা অপাৰ
তাক কহিবাৰ শকতি কাহাৰ ॥
শুনা নিৰন্তৰ কৰ্ম্ম কেশৱৰ
কৃষ্ণৰ কিঙ্কৰ ৰচিলা শঙ্কৰ ॥
কত তপস্যায় নৰতনু পায়
ভকতি বিনায় ব্যৰ্থে আয়ু যায় ॥
মাধৱে সে পিতা মাধৱেসে মাতা
মাধৱেসে ধাতা মাধৱেসে দাতা ॥
মাধৱত পৰ ত্ৰৈলোক্য ভিতৰ
নাহিকে ঈশ্বৰ জানা সাৰতৰ ॥
মিলিবে মৰণ জগত তাৰণ
কৃষ্ণৰ চৰণ পশিয়ো শৰণ ॥
দুৰ্ঘোৰ কলিত চিন্তিয়োক হিত
মাধৱত চিত্ত দিয়াপ্ৰতি নিত ॥
আয়ু আলে জালে যায় পাইল কালে
ভজিয়ো সকালে ৰাখিবে গোপালে
গুণ চিন্তামণি দুৰ্গতি তৰণী
পাপৰ অগনি ঘুষিয়োক ছনি ॥
নাহিকে চেতন কেদিন জীৱন
হৰিৰ কীৰ্ত্তন কৰিয়ো যতন ॥
কীৰ্ত্তন বিনায় আন পুণ্য নায়
শাস্ত্ৰ অভিপ্ৰায় বুজিয়োক চায় ॥

হেলাসে নিস্তৰি আন পৰিহৰি
হৃদি ৰূপ ধৰি বোলা হৰি হৰি

ঘোষা ॥ বোলা ৰাম ৰাম, ছাড়া আন কাম ॥

কৃষ্ণৰ পৰম জনম কৰম
ভৈল অনুক্রম সম্পূর্ণ দশম ॥
আবে একাদশ শুনা কৃষ্ণ যশ
মুকুতিৰ ৰস ভকতি সর্বস্ব ॥
ভাৰক সংহাৰ পৃথিবী উদ্ধৰি
বিমাৰষ কাৰ বুলিলন্ত হৰি ॥
ইতো যদুকুল ভাৰ সুবিপুল
লগাই হুলস্থুল কৰিবো নির্মূল ॥
অনাই ঋষি বল দিয়াই শাপছল
মিলাইলা মুষল দেখন্তে বিহ্বল ॥
ত্রিদশ সহিতি আসি প্রজাপতি
কৰিলন্ত নতি অনেক ভকতি ॥
ভকত বান্ধৱ কুল পৰাভৱ
কৰিবা মাধৱ জানিলা উদ্ধৱ ॥
বুজি সবে মত কৃষ্ণৰ আগত
পড়ি দণ্ডৱত বোলে বিৰলত ॥
কুলক সংহৰি মোক পৰিহৰি

বৈকুণ্ঠ নগৰী চলিবাহা হৰি ॥
মোৰ প্ৰাণধন তোমাৰ চৰণ
ন পাই নাৰায়ণ তেজিবো জীৱন ॥
তোমাৰ কিঙ্কৰ কৰোহো কাতৰ
নকৰা অন্তৰ মোক দামোদৰ ॥
ধৰিয়া চৰণে বিনয় বচনে
লোতক নয়নে ঝৰে অনুক্ষণে ॥
উদ্ধৱ মহন্ত পড়িয়া কান্দন্ত
দেখি ভগৱন্ত হাসিয়া বোলন্ত ॥
মোহোৰ হৃদয় পাইলা মহাশয়
কৰি কুলক্ষয় চলিবো নিশ্চয় ॥
স্থিৰ কৰামতি শুনা মহামতি
জ্ঞান যে ভকতি কহিবো সম্প্ৰতি ॥
পাচে ভগৱান যত যোগধ্যান
দেখাইলন্ত সম কৈলা নিৰুপম
ভক্তি মোক্ষতম পুৰুষ উত্তম ॥
নিৰ্গুণ ভকতি নিৰ্গুণত্ব মতি
নিৰ্গুণত্ব ৰতি নিৰ্গুণত্ব গতি ॥
নিৰ্গুণত্ব জ্ঞান নিৰ্গুণত্ব ধ্যান
নিৰ্গুণত্ব স্থান কৈলা সৰ্বজান ॥
জ্ঞানত কৰ্মত কৰি সাৰতত্ব
ভকতি যিমত কৰিল বেকত ॥

ব্রহ্মা লক্ষ্মীহৰ ইতো কলেৱৰ
তাতো শ্ৰেষ্ঠতৰ ভক্ত প্ৰিয়তৰ ॥
ভকতেসে জ্ঞান ভকতেসে ধ্যান
ভকত সমান নাহি মোৰ আন ॥
দেৱত তীৰ্থত কৰিয়া ভকত
তাৰিৱে শকত কহিলো বেকত ॥
চিত্তে মোক ধৰি শোক পৰিহৰি
ইতো স্থান এড়ি চলা শীঘ্ৰ কৰি ॥
দেখিয়োক সম যায়ো নিৰুপম,
বদৰিকাশ্ৰম উদ্ধৱ উত্তম ॥
শুনি মহাধীৰ চিত্ত নোহে থিৰ
কৃষ্ণ পাৱে শিৰ থৈয়া ঝৰে নীৰ ॥
চৰণ নেৰন্ত প্ৰেমত কান্দন্ত
দেখি ভগৱন্ত প্ৰবোধ বোলন্ত ॥
উঠিয়োক সখি হিয়ে মোক দেখি
বাহিৰে নিৰেখি ভ্ৰমিয়োক সখি ॥
কৃষ্ণৰ বচন শুনি সন্ধুক্ষণ
কৰিল গমন নচলে চৰণ ॥
পাদুকা দুখানি মাথে বান্ধি আনি,
হিয়ে মুষ্টি হানি যান্ত মহামানী ॥
দ্বাৰকাৰ বাজ হুয়া বুজি কায

কৰিলা ব্যাখ্যান=বিতংকৈ বুজাই দিলে।

পশি বনমাজ	বৈলা ভক্ত ৰাজ ॥
মাধৱে চিন্তিল	যাদৱ নিখিল
প্ৰভাসক নিল	জলত স্নানিল ॥
দানক দিয়াইল	বাৰুণী পিয়াইল
প্ৰমত্ত কৰাইল	মাতুৰী হনাইল
হৰিল চেতন	যত যদুগণ
কৰিলেক ৰণ	মিলিল মৰণ ॥
কৰি চিত্ত স্থিৰ	ৰাম মহাবীৰ
প্ৰভাসৰ তীৰ	তেজিলা শৰীৰ ॥
কৃষ্ণে স্নানি জলে	অশ্বত্থৰ তলে
বসিলা একলে	তনু অতি জ্বলে ॥
সুপীত বসন	ৰুচিৰ দশন
হসিত বয়ন	কমল নয়ন ॥
খচিত কনক	ৰত্নৰ তিলক
কুটিল অলক	শোভে কপোলক ॥
মুকুট মাথাত	ৰত্নে ৰত্নে ভাত ।
শ্ৰীবৎস হিয়াত	চাৰু চাৰি হাত ॥
মকৰ কুণ্ডল	ৰঞ্জে গণ্ডস্থল ।
চাৰু কম্বুগল	কৌস্তুভে উজ্বল ॥
হিয়ে হেমহাৰ	ৰঞ্জে জাতিঃকাৰ
দিব্য মুকুতাৰ	ৰঞ্জে অলঙ্কাৰ ॥

সম্বৰণ = শোক এৰি ; নিখিল = সকলো ; বাৰুণী = মদ ।

বনমালা উৰে অতি জ্যোতি কৰে ।
মধু মধুকৰে ভুঞ্জিয়া গুঞ্জৰে ॥
কনকে গঠিত মেখলা কটীত
জঙ্ঘা সুবলিত হোড়ৰে জড়িত ॥
চৰণ কমল নূপুৰে উজ্জ্বল
অতি সুকোমল ৰঙা পদতল ॥
ধ্বজ বজ্র যৱ চিহ্ন অভিনৱ
দেখন্তে উৎসৱ আছন্ত মাধৱ
অৰণ্যত পশি কৃষ্ণ মহাযশী
প্ৰকাশন্ত বাস যেন পূৰ্ণশশী ॥
ব্যাধেক মিলিল বাণ প্ৰহাৰিল
লাগিল জানিল খেদিয়া আনিল ॥
কৃষ্ণক দেখিল পৰিয়া কান্দিল
নিৰ্ভয় বুলিল স্বৰ্গক চলিল ॥
প্ৰভু ভগৱন্ত বসিয়া আছন্ত ।
দোখ পনিলন্ত দাৰুক মহন্ত ॥
চাৰিও ঘোটক সহিতে ৰথক
পঠাই বৈকুণ্ঠক চাইলা দাৰুকক ॥
বুলিলন্ত বাক চলা দ্বাৰকাক
যি ভৈল বিপাক কহিয়ো বাৰ্ত্তাক ॥

উৰে=বুকত ; মধুকৰে=ভোমোৰাই ।

শুনি চলিলন্ত দারুক মহন্ত
শোকত কান্দন্ত লোতক ঝৰন্ত ॥
ভ্ৰমিয়া ফুৰন্ত উদ্ধৱ মহন্ত ।
কৃষ্ণে দেখিলন্ত হাসি বুলিলন্ত ॥
অদ্যাপি ভ্ৰমিয় শঙ্কা কৰা কিয় ।
তুমি যেন প্ৰিয় আপুনি জানিয় ॥
মোহোৰ নিদান এৰা অপমান
আসা সখি প্ৰাণ কহো তত্ত্বজ্ঞান ॥
মাধৱে কহিল উদ্ধৱে শুনিল
হৃদয় দ্ৰৱিল পাৱত পৰিল ॥
মুখে নাসে মাত কান্দে দমাই মাথ
তেজি যাহা নাথ ভৈলোহো অনাথ ॥
উদ্ধৱে কান্দন্ত দেখি ভগৱন্ত
ধৰি তুলিলন্ত জ্ঞান কহিলন্ত ॥
থাকিবে নেদিল প্ৰণাম কৰিল
শোক উথলিল কান্দন্তে চলিল ॥
ব্ৰহ্মা চিন্তিহিত ত্ৰিদশে সহিত
মিলিয়া তহিত গাইলা গুণগীত ॥
কতো বজাৱন্ত কতোহো নাচন্ত
স্তুতি উচ্চাৰন্ত পুষ্প সিঞ্চাৱন্ত ॥
দেখি নাৰায়ণ হসিত বয়ন
জপাইলা নয়ন চলিবাক মন ॥

দেৱৰ কটক নাকলে কৃষ্ণক
বিজুলী চটক পাইলা বৈকুণ্ঠক ॥
দেখি কৃষ্ণপদ নয়ন তবধ
যত পাৰিষদ বজাৱে শবদ ॥
দেখিয়া মাধৱ প্ৰীতি অভিনৱ
মিলিল উৎসৱ কৰে জয় ৰব ॥
জগতৰ তাত মাধব তথাত
অনন্ত শয্যাত থাকিলা সাক্ষাত ॥
কৃষ্ণৰ কিঙ্কৰ ৰচিলা শঙ্কৰ
চৰিত্ৰ কৃষ্ণৰ শুনা সবে নৰ ॥
কৃষ্ণৰ পাচত কলিৰ ভয়ত
ধৈৰ্য্য ধৃতি ব্ৰত মহাধৰ্ম যত ॥
অতি ত্ৰাসমানে সিটো ধৰ্মগণে
হৰিৰ কীৰ্ত্তনে পশিল শৰণে ॥
যিজন সদায় হৰিগুণ গায়
সি সি পুণ্য পায় সংসাৰ এৰায় ॥
আন ধৰ্ম প্ৰজা নাম তাৰ ৰাজা
শাস্ত্ৰৰ এমজ্জা জানি এৰা লজ্জা ॥
ৰাম নাম গায় ভ্ৰমিয় সদায় ।
হেলা হুযুৰায় ব্যৰ্থে আয়ু যায় ।

অভিনৱ = নতুন নতুন ; তাত = পিতা ।

নামেসে সংসাৰ কৰিবে নিস্তাৰ
নাম বিনে আৰ কিছু নাহি সাৰ ॥
নামে ত্যজি আশ কাত কথা সাৰ।
অমৃতে নৈৰাশ যেন বিষগ্ৰাস ॥
পাপে চাপি ধৰে নাম নু সুমৰে।
আত্মঘাত কৰে কৌতুকতে মৰে ॥
কত তপস্যায় নৰতনু পায়
চিন্তামণি প্ৰায় হাততে হৰায় ॥
জানিয়া সম্প্ৰতি কৰি স্থিৰ মতি
অগতিৰ গতি ভজা যদুপতি ॥
মাধৱৰ নাম ধৰ্ম অনুপাম।
এড়ি আন কাম বোলা ৰাম ৰাম ॥

শাস্ত্ৰ এ মজ্জা=শাস্ত্ৰৰ এয়ে গূঢ় তত্ত্ব, শ্ৰীকৃষ্ণৰ অৱতাৰ **মহাপুৰুষ শ্ৰীশঙ্কৰ** দেৱে কৈছে—সংসাৰৰ ভিতৰত সাৰ একমাত্ৰ **ৰাম নাম; ইহাকে জানি** মুখভৰি হৰি হৰি বোল।

সম্পূৰ্ণ

আমাৰ ওচৰত সকলো ধৰ্ম্মপুথি, গল্প, উপন্যাস, নাটক, সাহিত্য সাধুকথা, জীৱনী—ইংৰাজী বঙ্গলা, হিন্দি স্কুল কলেজৰ কিতাপ পোৱা যায়। অৰ্ডাৰ দিলে ভিঃ পিঃ ডাকত কিতাপ পঠোৱা হয়।

পকেট নাম ঘোষা
কীৰ্ত্তন ঘোষা
দশম
গুণমালা
গীতা
অৰ্জ্জুন সংবাদ
স্যমন্ত হৰণ
লক্ষ্মী চৰিত
ভীম চৰিত
মহাভাৰত
ৰামায়ণ
কল্কিপুৰাণ
ইত্যাদি—

পোৱাৰ ঠাই
গ্ৰেজুয়েট ষ্টোৰচ,
যোৰহাট পোঃ, আসাম।

Printed by G. Mukherjee from Kamala Printing Works,
3, Kashi Mitter Ghat Street, Bagbazar. Calcutta.